# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৪৩/২০২০

**কনকলতা মহিলা সৱলীকৰণৰ আঁচনিৰ অধীনত মহিলা আত্ম সহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি প্ৰদান কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে**

## মহিলা শক্তি মহা শক্তি, মহিলা শক্তি মূল শক্তি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ ফেব্ৰুৱাৰী ঃ** 'মহিলা শক্তি মহা শক্তি। মহিলা শক্তি মূল শক্তি। মাতৃ অবিহনে পৃথিৱীৰ সৃষ্টি হ'ব নোৱাৰে। এখন সমাজৰ মহানতা নিৰ্ভৰ কৰে মাতৃৰ প্ৰতি প্ৰদৰ্শন কৰা শ্ৰদ্ধাৰ জৰিয়তেহে। ঋক্ বেদেও সেয়েহে উল্লেখ কৰিছে যে য'ত নাৰীক পূজা কৰা হয়, তাতে ঈশ্বৰে বাস কৰে।' ৰাজ্যৰ নাৰী সকলক সামাজিকভাবে সৱল আৰু আৰ্থিকভাবে স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে অসম চৰকাৰে ২০১৮ চনৰ ১ এপ্ৰিলত আৰম্ভ কৰা 'কনকলতা মহিলা সৱলীকৰণ আঁচনি'ৰ দ্বিতীয় পৰ্যায়ত মহিলা আত্ম-সহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি বিতৰণৰ বাবে আয়োজন কৰা মহিলা সমাৰোহত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। আজি গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ দ্বাৰা আয়োজিত এই মহিলা সমাৰোহত প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যৰ ২০ হাজাৰটা আত্ম-সহায়ক গোটলৈ ঘূৰ্ণীয়মান পুঁজি বিতৰণৰ এই প্ৰক্ৰিয়া মুখ্যমন্ত্ৰী সোণোৱালে ২৫ হাজাৰ টকাকৈ চেক বিতৰণৰে আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহিলা সকল হৈছে সমাজৰ শক্তি। মহিয়সী নাৰী কনকলতা বৰুৱাই অসমীয়া নাৰীৰ সাহস আৰু নিৰ্ভীকতাৰ নিদৰ্শন ইতিহাসৰ পাতত লিখি থৈ গৈছে। তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাজ্যৰ নাৰী সমাজে সততা, নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰি অসমৰ বিকাশৰ গুৰুত্বপূৰ্ণ চালিকা শক্তিত পৰিণত হৈছে। আগন্তুক দিন সমূহত এই মহিলা শক্তিয়ে অসমৰ বিকাশৰ গতিক অধিক ত্বৰান্বিত কৰিব লাগিব। মহিলা সকলে ৰাজ্যৰ ৬৮ লাখ পৰিয়ালত আনন্দৰ জোৱাৰ সৃষ্টি কৰিব লাগিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেটি বচাও, বেটি পঢ়াও, উজ্বলা যোজনা, স্বচ্ছ ভাৰত অভিযান আদিৰ জৰিয়তে মহিলা সকলৰ সমাজত মৰ্যাদা বৃদ্ধি কৰিছে। তেখেতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসম চৰকাৰে কনকলতা মহিলা সৱলীকৰণ আঁচনিৰ মাধ্যমেৰে গাওঁ আৰু চহৰ অঞ্চলৰ মহিলাক স্বাৱলম্বী কৰিবলৈ পদক্ষেপ লৈছে। চৰকাৰৰ লক্ষ্যই হৈছে প্ৰতিগৰাকী মহিলাৰ মৰ্যাদা বৃদ্ধি কৰা। পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত উপেক্ষিত হৈ ৰোৱা ৰাজ্যৰ মহিলা সমাজক উপযুক্ত সন্মান আৰু মৰ্যাদা প্ৰদানৰ বাবে অসম চৰকাৰে পদক্ষেপ লৈছে। ইতিমধ্যে ৰাজ্যৰ প্ৰথমগৰাকী মহিলা উপাচাৰ্য হিচাপে যোৰহাটস্থিত ৰাজ্যিক মহিলা বিশ্ববিদ্যালয়ত ড০ মালিনী গোস্বামীক উপাচাৰ্য হিচাপে নিযুক্তি দিয়াৰ উপৰি ৰাজ্যৰ প্ৰথমগৰাকী মহিলা মুখ্য সচিব হিচাপে টি ৱাই দাসক বৰ্তমান চৰকাৰৰ কাৰ্যকালতে নিযুক্তি দিয়া হৈছিল বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। মুখ্যমন্ত্ৰী গৰাকীয়ে লগতে উল্লেখ কৰে যে বৰ্তমান চৰকাৰৰ কাৰ্যকালতে সাংস্কৃতিক ক্ষেত্ৰখনত ৰিমা দাস, ক্ৰীড়া ক্ষেত্ৰত হিমা দাস, লাভলীনা বৰগোঁহাই, যমুনা বড়ো আৰু অংকুশিতা বড়োৰ দৰে খেলুৱৈয়ে

অসমীয়া নাৰী সমাজৰ সাফল্যৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে।

অসম চৰকাৰে মহিলাৰ মৰ্যাদা বৃদ্ধিৰ বাবে অৰুন্ধতি আঁচনি, ইন্দিৰা মিৰি বিধবা পেঞ্চন আঁচনি, শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিৰ দৰে পদক্ষেপ গ্ৰহণ কৰাৰ কথা মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰে। মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে ৰাজ্যৰ মহিলা সমাজক সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক আৰু ৰাজনৈতিক ভাবে সৱল কৰিব লাগিব আৰু এই দিশত অসম চৰকাৰে পদক্ষেপ লৈছে। কোনো কাৰণতে যাতে ৰাজ্যত কৰ্ম সংস্কৃতি আৰু শৈক্ষিক পৰিৱেশ বিনষ্ট নহয় তাৰ বাবে নাৰী সমাজক জাগ্ৰত প্ৰহৰীৰ ভূমিকা পালন কৰিবলৈও মুখ্যমন্ত্ৰী গৰাকীয়ে আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলে গভীৰভাবে অধ্যয়ন কৰিলে পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰলৈ গৌৰৱ কঢ়িয়াই আনিব আৰু এই ক্ষেত্ৰত আদিগুৰু হিচাপে মাতৃ সকলে উল্লেখযোগ্য ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যত সকলো পৰিস্থিতিতে যাতে শান্তি, সম্প্ৰীতি, একতা আৰু বন্ধুত্বৰ ভাব অটুট থাকে তাৰ বাবে নাৰী সমাজে সংকল্প ল'ব লাগিব। ভুৱা প্ৰচাৰত যাতে কোনো ব্যক্তি ভোল নাযায় তাৰ বাবে নাৰী সকলে চোকা দৃষ্টি ৰাখিব লাগিব। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাইজক অন্ধকাৰত ৰাখি অসম চৰকাৰে কোনো কাম নকৰে। অসম চৰকাৰ গঠন হৈছে ৰাজ্যৰ জাতি-জনগোষ্ঠী সমূহক লৈ। এইখন খিলঞ্জীয়াৰ চৰকাৰ আৰু খিলঞ্জীয়াৰ স্বাৰ্থত সদায় কাম কৰি যাব। অসম চৰকাৰে ৰাজ্যৰ ভাষা, কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰাগত ৰীতি-নীতি সুৰক্ষাৰ বাবে দৃঢ়তাৰে কাম কৰি গৈছে। এই ক্ষেত্ৰত কোনো কাৰণতে ৰাজ্যবাসী শংকিত হ'ব নালাগে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

এখন দুৰ্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্ৰাসবাদমুক্ত, প্ৰদূষণ মুক্ত আৰু বিকশিত অসম নিৰ্মাণ কৰাটো ৰাজ্য চৰকাৰৰ লক্ষ্য বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। সেই লক্ষ্যত উপনীত হ'বৰ বাবে অসম চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে। এই প্ৰসংগত মুখ্যমন্ত্ৰী সোণোৱালে শেহতীয়াকৈ স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ কথা উল্লেখ কৰে। তেখেতে কয় যে এই শান্তি চুক্তিয়ে ৰাজ্যৰ এক দীৰ্ঘদিনীয়া সমস্যাৰ অন্ত পেলালে আৰু ৰাজ্যলৈ ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। মুখ্যমন্ত্ৰী সোণোৱালে তদুপৰি চলিত বৰ্ষত অসম চৰকাৰে প্ৰত্যক্ষ আৰু পৰোক্ষভাবে প্ৰায় ১ লাখ যুৱক-যুৱতীক কৰ্ম সংস্থাপন প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলিও উল্লেখ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলেই কয় যে কনকলতা মহিলা সৱলীকৰণ আঁচনিখন ২০১৭-১৮ চনৰ বাৰ্ষিক বাজেটত ঘোষণা কৰি ২৫০ কোটি টকা ধাৰ্য কৰা হৈছিল। এই আঁচনিৰ অধীনত ১ লাখ আত্ম-সহায়ক গোট গঠন কৰি ১০ লাখ পৰিয়ালক উপকৃত কৰাৰ পদক্ষেপ অসম চৰকাৰে গ্ৰহণ কৰিছিল। এই আঁচনিৰ অধীনত প্ৰতিটো মহিলা আত্ম-সহায়ক গোটক ঘূৰ্ণীয়মান পুঁজি হিচাপে ২৫ হাজাৰ টকাৰ অনুদান আগবঢ়োৱা হৈছিল। বৰ্তমানলৈ এই আঁচনিখনৰ অধীনত ৰাজ্যৰ ১৮ লাখ পৰিয়াল আৰু ১,৭৮,৭২০ টা আত্ম-সহায়ক গোটক সামৰি লোৱা হৈছে। আঁচনিখনে গ্ৰামীণ অঞ্চলৰ মহিলা সকলৰ জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি তেখেতে কয় যে আজি অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে আঁচনিখনৰ অধীনত ৰাজ্যৰ ২০ হাজাৰ আত্ম-সহায়ক গোটলৈ প্ৰায় ৩০ কোটি টকাৰ ঘূৰ্ণীয়মান পুঁজি আগবঢ়োৱা হৈছে।

এই মহিলা সমাৰোহত অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী

যোগেন মহন, দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰা, হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, বটদ্ৰৱা সমষ্টিৰ বিধায়িকা আঙুৰলতা ডেকা আৰু সোণাৰী সমষ্টিৰ বিধায়িকা নৱনীতা সন্দিকৈয়ে ভাষণ প্ৰদান কৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব জে বি এক্কাই উদ্দেশ্য বাখ্যা আগবঢ়োৱা আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষিকেশ গোস্বামী, বিশিষ্ট সমাজ কৰ্মী ফণীন্দ্ৰ নাথ শৰ্মা, ডি এন পি লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, অসম পৰ্যটন উন্নয়ন নিগমৰ উপাধ্যক্ষ নৱদীপ কলিতা, অসম গ্ৰামীণ জীৱিকা অভিযানৰ পৰিচালন সঞ্চালিকা উৎপলা শইকীয়া প্ৰমুখ্য বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**
**১-০২-২০২০**